প্ৰগ্ৰেম অফিচাৰ সৌমী চক্ৰৱৰ্তী,

আহ্বান জনায়।

আহ্বান জনাইছে।

বাঢ়িছে বুলি সদৰী কৰিছে জিলা নিৰ্বাচনী বিষয়া তথা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে। অনুষ্ঠানত নিৰ্বাচনী বিষয়া কেশৱানন্দ টাইদ উপস্থিত আছিল।

## দুবাৰকৈ মূল্যায়নৰ পিচত গোৱালপাৰা মহাবিদ্যালয়ক নাকৰ এ প্লাছ গ্ৰেড প্ৰদান

# প্ৰশাসনীয়, শৈক্ষিক কাম-কাজ প্ৰদৰ্শন, মত বিনিময় অনুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১০ ফেব্ৰুৱাৰী** ঃ ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন চমুকৈ নাকৰ দলে দুবাৰকৈ মূল্যায়নৰ পিচত এ প্লাছ গ্ৰেড প্ৰদান কৰাত ৮ ফেব্ৰুৱাৰীত মহাবিদ্যালয় প্ৰাংগণত ফটকা আৰু আতচবাজীৰে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে বিগত ১৩ বছৰৰ অন্তত যোৱা ৫ আৰু ৬ ডিচেম্বৰত গোৱালপাৰা মহাবিদ্যালয় নাকৰ দলে পৰিদৰ্শন কৰে। মধ্যপ্ৰদেশৰ এ পি এছ বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক ৰাজীৱ ডুবেৰ অধ্যক্ষতাত সমন্বয়ক জম্মু বিশ্ববিদ্যালয়ৰ অধ্যাপক বিজয়দেৱ সিং আৰু মহাৰাষ্ট্ৰৰ নাগপুৰস্থিত জি এছ কলা, বিজ্ঞান আৰু বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধনঞ্জয় টালোৱাৰক সদস্য হিচাপে লৈ এক উচ্চ পৰ্যায়ৰ দলে যোৱা ৫ আৰু ৬ ডিচেম্বৰত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলে গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হৈ পৰিদৰ্শন কৰে। দুদিনীয়া এই পৰিদৰ্শন কালত নাকৰ দলটোৱে গোৱালপাৰা মহাবিদ্যালয়ৰ পাঠ্যক্ৰম, শৈক্ষিক কাম-কাজ তথা শিক্ষণ প্ৰক্ৰিয়া, গৱেষণা উদ্ভাৱন আৰু উদ্যমিতা, আন্তঃগাঁথনি, শিক্ষণ ব্যৱস্থাপনা, শিক্ষাৰ্থীৰ সমৰ্থন আৰু বিকাশ, প্ৰশাসনীয় নেতৃত্ব তথা পৰিকল্পনা, অনুষ্ঠানৰ মূল্যবোধ আৰু শ্ৰেষ্ঠতম অনুশীলন আদি কৰি মুঠ সাতোটা বিষয়ত মূল্যায়ন কৰে। প্ৰথম দিনাৰ কাৰ্যসূচীমৰ্মে পাঁচ ডিচেম্বৰৰ পুৱাৰ ভাগত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলক ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ দুটা দল ক্ৰমে সৈন্য বাহিনী আৰু বায়ুসেনা, ৰাষ্ট্ৰীয় সেৱা আঁচনি, স্কাউট এণ্ড গাইড, ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলে আদৰণি জনায়। অধ্যক্ষ আৰু বিভাগীয় মুৰব্বী অধ্যাপকসকলৰ সৈতে মত বিনিময়ৰ পাচত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলটোৱে বিভিন্ন বিভাগ আৰু গৱেষণাগাৰ পৰিদৰ্শন কৰে। মহাবিদ্যালয়ৰ জি আই এছ গৱেষণাগাৰ, কৃত্ৰিম বুদ্ধিমত্তা প্ৰদৰ্শন কেন্দ্ৰ, ভাষা গৱেষণাগাৰ, জীৱ-প্ৰযুক্তি গৱেষণাগাৰ তথা পুথিভঁৰাল আৰু তথ্য-প্ৰযুক্তিৰ বুজ লয় আৰু বিভিন্ন গৱেষণাগাৰ পৰিদৰ্শন কৰে। ইয়াৰ পাচত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলটোৱে মহাবিদ্যালয় পৰিচালনা সমিতি, বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি আৰু বিভিন্ন ব্যক্তিৰ সৈতে ভোজমেলত অংশগ্ৰহণ কৰে। আবেলি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। মহাবিদ্যালয়ত পশ্চিম অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতিফলন ঘটাই এক সাংস্কৃতিক অনুষ্ঠানত যোগদান কৰে। ছয় ডিচেম্বৰত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলটোৱে হোষ্টেলসমূহত থকা আবাসীসকলৰ সৈতে মত বিনিময় কৰি মহাবিদ্যালয়ৰ কাৰ্যালয়, খেলা-ধূলাৰ সা-সুবিধা, ব্যায়ামাগাৰ, ৰেডিঅ' চেণ্টাৰ আদি পৰিদৰ্শন কৰাৰ লগতে বিভিন্ন কমিটীসমূহৰ সৈতে মত বিনিময় কৰে। মহাবিদ্যালয় প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ হাতত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন দলটোৱে প্ৰতিবেদন প্ৰদান কৰি পৰিদৰ্শন প্ৰক্ৰিয়া সমাপ্ত কৰে। নাকৰ দলটোৱে পৰিদৰ্শনৰ অন্তত মহাবিদ্যালয়ৰ প্ৰতিটো দিশৰ মূল্যায়নৰ ভিত্তিত এ প্লাছ প্লাছ গ্ৰেড দিবলগীয়া হোৱাত ফলাফল স্থগিত ৰাখিবলগীয়া হয়। বি গ্ৰেড লাভ কৰা মহাবিদ্যালয় এখন এ প্লাছ প্লাছ গ্ৰেড প্ৰদানৰ বিষয়টোৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হোৱাৰ বাবে পুনৰ মূল্যায়নৰ বাবে নাকৰ অইন এটা দল প্ৰেৰণ কৰে। যোৱা ২ আৰু ৩ ফেব্ৰুৱাৰীত গোৱালপাৰা মহাবিদ্যালয়ত পুনৰ নাকৰ দলে মূল্যায়ন কৰে। অন্ধ্ৰ প্ৰদেশৰ পদ্মাৱতী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডেপৰিউ ভাৰতীৰ অধ্যক্ষতাত জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ বিশ্ববিদ্যালয়ৰ ডীন মোস্তাক আহমেদ লোন আৰু কেৰালাৰ কেথোলিকেট কলেজৰ অধ্যক্ষ মেথিউ পি যোছেফে ২ আৰু ৩ ফেব্ৰুৱাৰীত মহাবিদ্যালয়খনৰ উপৰোক্ত প্ৰতিটো বিষয়ত মূল্যায়ন কৰে। সদ্য ঘোষিত ফলাফলত গোৱালপাৰা মহাবিদ্যালয়ক এ প্লাছ ৩.৪১ গ্ৰেড প্ৰদান কৰাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে অধ্যাপক, অধ্যাপিকা, বিষয়া-কৰ্মচাৰী, মহাবিদ্যালয় পৰিচালনা সমিতিৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উৎফুল্লিত হৈ পৰে। সন্ধিয়া মহাবিদ্যালয় প্ৰাংগণত ফটকা ফুটাই, আতচবাজীৰে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত চাৰি নম্বৰ স্থান লাভ কৰা মহাবিদ্যালয়খনক ভৱিষ্যতে আৰু আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চেষ্টা চলাই যাব বুলি অধ্যক্ষ ড° সুভাষ বৰ্মনে উল্লেখ কৰে। ইফালে গোৱালপাৰা মহাবিদ্যালয়ে এ প্লাছ গ্ৰেড লাভ কৰাৰ বাবে বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱেও আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে বুলি অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে।